**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ মুক্ত বাণিজ্য চুক্তি আজিৰেপৰা কাৰ্যকৰী হৈছে।

২। ভাৰত আৰু ব্ৰিটেইনৰ মুক্ত বাণিজ্য চুক্তি দেশৰ অৰ্থনৈতিক বিকাশ আৰু গোলকীয় অংশীদাৰিত্বৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

৩। শক্তি, বুদ্ধিমত্তা আৰু উদ্ভাৱনী চিন্তাৰে সমৃদ্ধ যুৱ প্ৰজন্ম বিকশিত ভাৰতৰ শক্তিশালী আন্তঃগাঁথনি বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই উল্লেখ কৰে।

৪। অসমত বৰ্তমানলৈকে ১৮ লাখ ৫৯ হাজাৰ কৃষকে পি এম কিষাণ আঁচনিৰ অধীনত ধন লাভ কৰিছে বুলি মন্ত্ৰী পীযুষ হাজৰিকাই বিধানসভাৰ অধিৱেশনত প্ৰকাশ কৰিছে।

**আৰু**

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি নিশা আৰ্জেণ্টিনা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ মুক্ত বাণিজ্য চুক্তি আজিৰেপৰা কাৰ্যকৰী হোৱাৰ ফলত বাণিজ্য, বিনিয়োগ আৰু উদ্ভাৱন ক্ষেত্ৰত নতুন ক্ষেত্ৰৰ সূচনা হ'ব বুলি উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীযুষ গোৱেলে প্ৰকাশ কৰিছে। এখন ইংৰাজী দৈনিক কাকতত প্ৰকাশিত এটা নিৱন্ধত শ্ৰী গোৱেলে কয়, যে মুক্ত বাণিজ্য চুক্তিয়ে ব্যৱসায়িক ক্ষেত্ৰত নতুন সুযোগ-সুবিধাৰ সৃষ্টি কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনত বিকশিত ভাৰতৰ দৃষ্টিভংগীকো বাস্তৱায়িত কৰিব। এই অভিলাষী চুক্তিয়ে সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণৰ সৱলীকৰণ কৰাৰ লগতে ভাৰতৰ জনসাধাৰণৰ সামৰ্থ্য আৰু অভিলাষক প্ৰতিফলিত কৰিব বুলি তেওঁ কয়। ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তিয়ে মহিলা, কৃষক, যুৱ-প্ৰজন্ম, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, উদ্ভাৱক, পেছাদাৰী আৰু মীনপালকসকলক উপকৃত কৰিব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি ভাৰতীয় ৰপ্তানিকাৰীসকলৰ লগতে প্ৰশাসনীয়, ব্যৱস্থাপনাকে ধৰি কাৰ্যালয় পৰিচালনাত জড়িত সকল বিশেষভাৱে উপকৃত হ'ব বুলি তেওঁ কয়। এই চুক্তিৰ ফলত ব্ৰিটেইনলৈ ভাৰতৰ ৰপ্তানি শুল্ক ৰেহাই হ'ব আৰু ক্ষুদ্ৰ ব্যৱসায়ী তথা কৃষকসকলে বিশেষভাৱে সুবিধা লাভ কৰিব।

এই চুক্তিয়ে বিভিন্ন ক্ষেত্ৰত নিয়োগ আৰু ব্যৱসায়ীৰ সুবিধাৰ সৃষ্টি কৰিব বুলি তেওঁ উল্লেখ কৰে। ৭৫ হাজাৰৰো অধিক ভাৰতীয় পেছাদাৰী লোক আৰু ৯ শতাধিক কোম্পানী ইয়াৰ পৰা লাভান্বিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০

আজিৰেপৰা বলৱৎ হোৱা ভাৰত আৰু ব্ৰিটেইনৰ সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি ভাৰতৰ অৰ্থনৈতিক বিকাশ আৰু গোলকীয় অংশীদাৰিত্বৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰী সিঙে কয়, যে নতুন চুক্তিয়ে ৰপ্তানি বৃদ্ধি কৰাৰ লগতে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত ন ন সুযোগৰ সৃষ্টি কৰিব। ইয়াৰ লগতে ভাৰতীয়

উদ্যোগক সহায় আগবঢ়োৱাৰ উপৰি ব্ৰিটেইনত থকা ভাৰতীয় পেছাদাৰীসকলকো নিয়োগ আৰু বিনিয়োগৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে দেশৰ অৰ্থনীতিৰ সৰলীকৰণ আৰু বিকশিত ভাৰতৰ যাত্ৰা শক্তিশালী কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সুযোগ-সুবিধাৰ সম্প্ৰসাৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে এই চুক্তিয়ে দেশৰ অৰ্থনৈতিক ক্ষেত্ৰখন শক্তিশালী কৰাৰ লগতে কৃষক আৰু কৃষিক্ষেত্ৰক সুৰক্ষিত কৰিব। ইয়াৰ ফলত ভাৰত আৰু ব্ৰিটেইনৰ মাজত অৰ্থনৈতিক বান্ধোন শক্তিশালী হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooooo

বিশ্ব যুৱ দক্ষতা দিৱস উপলক্ষে আজি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে ভাৰতৰ মূল শক্তি হৈছে ইয়াৰ যুৱ শক্তি। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে শক্তি, বুদ্ধিমত্তা আৰু উদ্ভাৱনী চিন্তাৰে সমৃদ্ধ যুৱ প্ৰজন্ম হৈছে বিকশিত ভাৰত লক্ষ্যৰ এটা শক্তিশালী আন্তঃগাঁথনি। বিশ্ব যুৱ দক্ষতা দিৱস উপলক্ষে শ্ৰীবিৰলাই সকলো নাগৰিককে আধুনিক দক্ষতা আৰু উদ্ভাৱন আৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ ভাৰতৰ দক্ষতাপূৰ্ণ যুৱ শক্তিক শুভেচ্ছা জনায়।

ইপিনে এই দিৱস উপলক্ষে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই যুৱ প্ৰজন্মক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী গুপ্তাই কয়, যে যুৱ প্ৰজন্মৰ দক্ষতা বিকাশ আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত দিল্লীৰ ভেটিস্বৰূপ। মুখ্যমন্ত্ৰী শ্ৰীমতী গুপ্তাই কয়, যে দিল্লীৰ চৰকাৰ যুৱ প্ৰজন্মক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়াৰ লগতে তেওঁলোকৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত বদ্ধপৰিকৰ। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে যুৱ প্ৰজন্মক সৰলীকৰণ, দক্ষতা আহৰণ আৰু কঠিন শ্ৰমৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ জৰিয়তে দিল্লীৰ অগ্ৰগতিত বিশেষ মাত্ৰা প্ৰদান কৰিব।

ooooooo

অসম বিধানসভাৰ অধিৱেশনৰ আজি অষ্টম দিনাৰ কাৰ্যক্ৰমণিকা পুৱা চাৰে ৯ বজাত প্ৰশ্নোত্তৰ ঘণ্টাৰে আৰম্ভ হৈছে। আজি সদনত গুৱাহাটী মহানগৰীক পাৰ্প'ল চিটী হিচাপে গঢ় দিয়াক লৈ আজি আলোচনা অনুষ্ঠিত হৈছে। বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে এই বিষয়টো উত্থাপন কৰে। ইপিনে, বাজেট সন্দৰ্ভতো আজি সদনত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কে বিতৰ্কত অংশ ল'ব। বিধানসভাত পি এম কিষাণ আঁচনিৰ ঋণক লৈ বিধায়ক চক্ৰধৰ গগৈৰ প্ৰশ্নৰ উত্তৰত কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই এতিয়াৰে পৰা ক্ষুদ্ৰ চাহ খেতিয়কেও পি এম কিষাণৰ ঋণ লাভ কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে সমগ্ৰ অসমতে কৃষক পঞ্জীয়ন দ্ৰুত গতিত হৈছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে এতিয়ালৈ ১৮ লাখ ৫৯ হাজাৰ কৃষকে পি এম কিষাণ আঁচনিৰ অধীনত ধন লাভ কৰিছে।

বাইট

ইপিনে, ৰাজ্যত সীমা পুনৰ নিৰ্ধাৰণৰ পাছত ১০২ টা গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ স্থান সলনি হৈছে। ৭৮ কোটি টকা ব্যয়েৰে ১৫৬ টা কাৰ্যালয় ভৱন নিৰ্মাণ কৰা হ'ব। প্ৰতিটো কাৰ্যালয় নিৰ্মাণৰ বাবদ ৫০ লাখ টকাকৈ ব্যয় কৰা হ'ব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই আজি সদনত উল্লেখ কৰে।

বিধানসভাত কালি ৰাজ্যখনত পাঁচ বছৰত ১৫ হাজাৰ ৮৬১ হেক্টৰ ভূমি দখলমুক্ত হোৱা বুলি বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰে। বিধায়ক দিপ্তীময়ী চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই

তথ্য সদৰি কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩ লাখ ১২ হাজাৰ ৯৮২ হেক্টৰ বনভূমিত এতিয়াও দখলকাৰীৰ কবলত আছে।

আনহাতে, ৰাজ্যখনলৈ ২০২৫-২৬ বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যা ৪৭ হাজাৰলৈ বৃদ্ধি পাইছে বুলি কালি পৰ্যটন মন্ত্ৰী অজন্তা নেওগে বিধানসভাত প্ৰকাশ কৰে। কমেও ২৮ খন বিদেশী ৰাষ্ট্ৰৰ পৰা অসমলৈ পৰ্যটক আহিছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা সংগ্ৰামী কে কামৰাজৰ জন্মবাৰ্ষিকীত তেখেতলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতীয় ৰাজনীতিত তেওঁ এগৰাকী প্ৰসিদ্ধ নেতা আছিল। তেওঁ কয়, যে প্ৰয়াত কামৰাজ আছিল সৰলতা, একতা আৰু স্বাৰ্থহীনতাৰ প্ৰতিমূৰ্তি আছিল। উপ-ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণণে কয়, যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁ এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰ কাৰ্যতো বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা সংগ্ৰামী কে কামৰাজক তেওঁৰ জন্মদিনত শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে জগন্নাথৰাও যোশীৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে কৰ্ণাটক কেশৰী নামেৰে পৰিচিত জগন্নাথৰাও যোশী এগৰাকী দেশপ্ৰেমিক আৰু কৰ্মযোগী আছিল। তেওঁ গোৱাত পাৰ্মিটৰাজৰ অন্ত পেলাবলৈ চেষ্টা কৰাৰ বাবে অমানৱীয় অত্যাচাৰৰ সন্মুখীন হৈছিল। তেওঁ লগতে কয়, যে সমগ্ৰ দেশতে বিজেপিৰ আদৰ্শ আৰু সংগঠন সম্প্ৰসাৰিত কৰাত প্ৰয়াত যোশীয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল আৰু তেওঁৰ এনেধৰণৰ কাৰ্যই দেশৰ যুৱ নেতাসকলক উদ্বুদ্ধ কৰি আহিছে।

০০০০০০০

স্পেইনে চলিত বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনে যোৱানিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ ডালাছ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সক ২-০ গ'লত পৰাস্ত কৰে। স্পেইনৰ হৈ মাইকেল অয়াৰজাবালে খেলখনৰ ২২ মিনিটত প্ৰথমটো আৰু পেড্ৰ' প'ৰ'ৰে ৫৮ মিনিটত দ্বিতীয়টো গ'ল দি বিজয় নিশ্চিত কৰে। প্ৰথমটো বিশ্বকাপ ট্ৰফী জয় কৰাৰ সুদীৰ্ঘ ১৬ বছৰৰ বিৰতিৰ মূৰত এইবেলি "লা ৰ'জা" হিচাপে বিখ্যাত স্পেইনৰ দলটো ফাইনেলত উপনীত হৈছে। দলটো অহা দেওবাৰে নিশা নিউ জাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত আৰ্জেণ্টিনা বা ইংলেণ্ডৰ মুখামুখি হ'ব।

প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল আজি নিশা আটলাণ্টা ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখনত বিগত সংস্কৰণৰ বিজয়ী আৰ্জেণ্টিনা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বৃহস্পতিবাৰে নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০০০০

সমাপ্ত